# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2025
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## HEADLINES

১। দেশত শেহতীয়া ছবছৰৰ অধিক কালত প্ৰায় ১৭ কোটি কৰ্মসংস্থাপনৰ সৃষ্টি কৰা হৈছে।

২। উত্তৰবংগৰ দাৰ্জিলিঙত কালিৰে পৰা হোৱা ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত কুৰিজনতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে।

৩। প্ৰধানমন্ত্ৰী সেঁতু আঁচনিৰ জৰিয়তে বিশ্বৰ দক্ষতাৰ চাহিদাৰ সৈতে দেশৰ যুৱক-যুৱতীসকলক সংযোগ কৰা হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৪। বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতৰ পেৰা এথলীটসকলে লাভ কৰা পদকৰ সংখ্যাই পূৰ্বৰ অভিলেখ ভংগ কৰাটো নিশ্চিত হৈছে।

*আৰু*

৫। আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত  ভাৰত-পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

দেশত শেহতীয়া ছবছৰৰ অধিক কালত প্ৰায় ১৭ কোটি কৰ্মসংস্থাপনৰ সৃষ্টি কৰা হৈছে। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ তথ্য অনুসৰি দেশত নিযুক্তিৰ সংখ্যা ২০১৭-১৮ বৰ্ষৰ ৪৭ কোটি ৫০ লাখৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৪ কোটি ৩৩ লাখলৈ বৃদ্ধি পাইছে। এই তথ্য অনুসৰি ছবছৰৰ অধিক কালত এই সংখ্যা ১৬ কোটি ৮৩ লাখ বৃদ্ধি পাইছে। একেদৰে নিবনুৱাৰ হাৰো ২০১৭-১৮ বৰ্ষৰ ৬ শতাংশৰ পৰা ২০২৩-২৪ বৰ্ষত ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পায়।

দেশৰ কৰ্মশক্তিত মহিলাৰ অংশগ্ৰহণ বিশেষভাৱে বৃদ্ধি পোৱা বুলি উল্লেখ কৰি মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰা মতে, বিগত ৭ বছৰৰ অধিক কালত আনুষ্ঠানিক খণ্ডত ১ কোটি ৫৬ লাখতকৈও অধিক সংখ্যক যুৱতী আৰু মহিলাই যোগদান কৰিছে। তদুপৰি বিগত সময়ছোৱাত নিযুক্তিৰ ধৰণ উল্লেখনীয়ভাৱে সলনি হোৱাৰ ফলত ২০২৩-২৪ বৰ্ষত আত্মসংস্থাপনৰ হাৰ ৫৮ দশমিক ৪ শতাংশলৈ বৃদ্ধি পোৱা বুলিও তথ্যত প্ৰকাশ পাইছে।

০০০০০০০০০

উত্তৰবংগৰ গোৰ্খালেণ্ড আঞ্চলিক প্ৰশাসনৰ অন্তৰ্গত দাৰ্জিলিং জিলাত কালিৰে পৰা হোৱা ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত কুৰিজনতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে। একেৰাহে হৈ থকা প্ৰচণ্ড বৰষুণৰ ফলত মিৰিক, কাৰ্ছিয়ং, ৰংভাং, পুলবাজাৰ আদি এলেকা সমূলি জলবন্দী হৈ পৰাৰ লগতে পাহাৰীয়া জিলা কালিম্পং আৰু কাষৰীয়া বিভিন্ন এলেকাত হোৱা ধাৰাষাৰ বৰষুণ আৰু ভূমিস্ফলনে জনসাধাৰণলৈ বিপৰ্যয় কঢ়িয়াই আনিছে। তিস্তা নৈৰ পানী ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে বাগৰি যোৱাৰ ফলত

যানবাহনৰ চলাচল ব্যাহত হৈ পৰিছে। শিলিগুৰিৰ সৈতে ছিকিমক সংযোগ কৰা ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো ভালেমান ঠাইত বন্ধ কৰি দিবলগীয়া হৈছে।

বৰষুণ আৰু ভূমিস্খলনৰ ফলত মিৰিক উপ সংমণ্ডলৰ বিভিন্ন ঠাইত ১৩ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন ৪ জন লোক গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। দাৰ্জিলিং উপ সংমণ্ডলৰ সুখীয়া পখ্ৰী এলেকাত ৬ জন লোকৰ প্ৰাণ হানি হোৱাৰ লগতে আন এজন সন্ধানহীন হৈ আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক ব্যক্ত কৰিছে। তেওঁ এই ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকট আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

০০০০০০০০০

**প্ৰধানমন্ত্ৰী কাৰ্য্যালয় দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে উধামপুৰ বিমানবন্দৰৰ কাৰ্যকৰীকৰণ চূড়ান্ত কৰা হৈছে বুলি প্ৰকাশ কৰিছে। আনহাতে প্ৰস্তাৱিত কিষ্টৱাৰ বিমানবন্দৰক "উড়ান" আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি জম্মু-কাশ্মীৰৰ বিমান পৰিবহণ প্ৰকল্পৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে নিৰাপত্তাৰ দিশটোত গুৰুত্ব আৰোপ কৰি স্থানীয় লোকসকলক ব্যয়সাধ্য ভ্ৰমণ বিকল্প প্ৰদানৰ উদ্দেশ্যে আঞ্চলিক সংযোগ উন্নত কৰাৰ বিষয়ে আলোকপাত কৰে। উধামপুৰ বিমানবন্দৰটোৰে প্ৰথম অৱস্থাত আঞ্চলিক সংযোগ আঁচনিৰ অধীনত এ টি আৰ ৭২খন আসনযুক্ত বিমানেৰে কাম আৰম্ভ কৰিব পাৰে, যাৰ ফলত প্ৰচলিত হাৰৰ প্ৰায় আধা মূল্যত টিকটৰ ভাড়া নিৰ্ধাৰণ কৰিব পৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰোৱা হয়।**

০০০০০০০০০

বিশ্ব শিক্ষক দিৱসৰ সৈতে সংগতি ৰাখি নতুন দিল্লীত আজি অনুষ্ঠিত দেওবৰীয়া ফিট ইণ্ডিয়া অনুষ্ঠানৰ চাইকেল চালনা বিশেষ সংস্কৰণত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী ডং মনসুখ মন্দাভিয়াই অংশগ্ৰহণ কৰে। ৰাজধানী মহানগৰীখনৰ মেজৰ ধ্যানচান্দ ষ্টেডিয়ামৰ পৰা ইণ্ডিয়া গে'ট আৰু ইয়াৰ কাষৰীয়া এলেকাসমূহলৈ উলিওৱা এই চাইকেল সমদলত মন্ত্ৰীগৰাকীয়ে কেইবাশ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় নাগৰিকক নেতৃত্ব দিয়ে। অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে আজিৰ দিনটোত ১০ হাজাৰ ৫০০তকৈও অধিক স্থানত আয়োজিত চাইকেলেৰে দেওবৰীয়া ফিট ইণ্ডিয়া অনুষ্ঠানত বৃহৎ সংখ্যক শিক্ষকে অংশগ্ৰহণ কৰিছে। নিজকে সুস্থ কৰি ৰাখিবৰ বাবে দেশৰ লাখ লাখ লোকে প্ৰতি দেওবাৰে চাইকেল চলাই বুলি উল্লেখ কৰি তেওঁ কয় যে, এই কাৰ্যই এনে লোকসকলক জীৱনত ভাৰসাম্য ৰক্ষাৰ বাৰ্তা প্ৰদান কৰিছে। শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলি অভিহিত কৰি তেওঁ সকলো শিক্ষক-শিক্ষয়িত্ৰীকে ধন্যবাদ জ্ঞাপন কৰে। আজিৰ এই মঞ্চই শিক্ষাৰ্থী আৰু সমাজক শিক্ষাদান কৰাৰ লগতে অনুপ্ৰাণিত কৰাৰ বাবেও তেওঁলোকক বিশেষভাৱে সুযোগ প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী সেঁতু আঁচনিৰ জৰিয়তে বিশ্বৰ দক্ষতাৰ চাহিদাৰ সৈতে দেশৰ যুৱক-যুৱতীসকলক সংযোগ কৰা হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত বৰ্তমানৰ উদ্যোগীক দক্ষতাৰ প্ৰয়োজন পূৰণ কৰাৰ লগতে অহা ১০ বছৰৰ ভিতৰত ভৱিষ্যতৰ চাহিদাৰ পূৰ্বানুমান কৰিবলৈ উদ্যোগিক প্ৰতিষ্ঠানৰ নেটৱৰ্ক গঢ়ি তোলা হৈছে। কালি নতুন দিল্লীত কৌশল দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি পি এম সেঁতু আঁচনিৰ বিষয়ে ঘোষণা কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। এই অনুষ্ঠানত শ্ৰীমোদীয়ে যুৱ প্ৰজন্মৰ প্ৰতি লক্ষ্য ৰাখি ৬২ হাজাৰ কোটিৰো অধিক টকা ব্যয়েৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে পি এম সেঁতু আঁচনিয়ে দেশৰ এহেজাৰৰো উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানক আধুনিক যন্ত্ৰপাতিৰে উন্নতমানৰ প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাত সহায় কৰিব।

০০০০০০০০০

সীমান্ত পথ নিৰ্মাণ সংস্থা বি আৰ অ'ৱে লাডাখৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ মিগ লা পাছত সাগৰ পৃষ্ঠৰ পৰা ১৯ হাজাৰ ৪০০ ফুট উচ্চতাত এটা পথ নিৰ্মাণ কৰিছে। এই পথটো বিশ্বৰ সবাতোকৈ উচ্চতাত থকা মটৰ পৰিবহনৰ পথ হিচাপে পৰিগণিত হৈছে। এই সাফল্যৰ জৰিয়তে বি আৰ অ'ৱে ২০২১ চনত সাগৰ পৃষ্ঠৰ পৰা ১৯ হাজাৰ ২৪ ফুট উচ্চতাত নিৰ্মাণ কৰা ওমলিং লা পথৰ অভিলেখ ভংগ কৰিছে। সংস্থাটোৱে বিগ্ৰেডিয়াৰ বিশাল শ্ৰীবাস্তৱৰ নেতৃত্বত জাতীয় পতাকা উত্তোলন কৰি এই সফলতা উদযাপন কৰে। সীমান্তৱৰ্তী গাঁও ফুকচেৰ নিচেই সমীপত নতুনকৈ নিৰ্মাণ কৰা এই পথটো কৌশলগত দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ হৈ পৰাৰ লগতে পথটোৱে লাডাখত পৰ্যটনৰ দিশৰ পৰাও সম্ভাৱনা কঢ়িয়াই আনিছে।

০০০০০০০০০

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ অহা ৮ অক্টোবৰত দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে ৯ অক্টোবৰত মুম্বাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰে **ভিজন ২০৩৫**ৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ বাবে ভাৰত আৰু ব্ৰিটেইনৰ কৌশলগত অংশীদাৰিত্বৰ অধীনত ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। উল্লেখযোগ্য যে, **ভিজন ২০৩৫** হৈছে বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, জলবায়ু আৰু শক্তি, স্বাস্থ্য, শিক্ষা আৰু জনসম্পৰ্কক অগ্ৰাধিকাৰ প্ৰদানেৰে গ্ৰহণ কৰা উভয় দেশৰ পাৰস্পৰিক সম্পৰ্কৰ ১০ বছৰীয়া সময় নিৰ্ধাৰিত কাৰ্যসূচী।

দুয়োগৰাকী নেতাই পৰস্পৰ স্বাৰ্থজৰিত বিষয়সমূহৰ ক্ষেত্ৰত ভাব বিনিময় কৰাৰ লগতে দুয়ো দেশৰ মাজৰ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি সন্দৰ্ভত আলোকপাত কৰাৰ উদ্দেশ্যে ব্যৱসায়িক আৰু ঔদ্যোগিক ক্ষেত্ৰৰ নেতৃস্থানীয় লোকসকলৰ সৈতে বাৰ্তালাপতো অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে, দুয়োখন দেশৰ প্ৰধানমন্ত্ৰী দুগৰাকীয়ে মুম্বাইত হ'বলগীয়া **গ্লোবেল ফিনটেক ফেষ্ট**ৰ ষষ্ঠ সংস্কৰণত অংশগ্ৰহণ কৰিব। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ষ্টাৰমাৰৰ এই ভ্ৰমণে ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্কৰ উন্নতি সাধন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

**বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতৰ পেৰা এথলীটসকলে লাভ কৰা পদকৰ সংখ্যাই পূৰ্বৰ অভিলেখ ভংগ কৰাটো নিশ্চিত হৈছে। আজি নতুন দিল্লীত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত ভাৰতে বৰ্তমানলৈ ৬টা সোণৰ পদককে ধৰি ১৮টা পদক লাভ কৰিছে।**

কালি এফ ফিফটি ৰান ক্লাব থ্ৰ’ শাখাত একতা ভয়ানে পদক জয় কৰে। যোৱাবছৰৰ পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী নৰদীপে আজি জেভলিন থ্ৰ'ত অংশগ্ৰহণ কৰিব। আজি জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ’বলগীয়া এই প্ৰতিযোগিতাৰ অন্তিম দিনটোত ভাৰতে সৰ্বাধিক ৭টা পদক লাভ কৰাৰ সম্ভাৱনা আছে। বিশ্ব পেৰা এথলেটিক্স চেম্পিয়নশ্বিপৰ দ্বাদশ সংস্কৰণত ১০৪ খন দেশৰ দুহেজাৰৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ভাৰতৰ ৭৩ জনীয়া দলটোত ৫৪ জন পুৰুষ আৰু ১৯ গৰাকী মহিলা আছে। উল্লেখযোগ্য যে, যোৱাবছৰ জাপানৰ কোবেত অনুষ্ঠিত পেৰালিম্পিকত ভাৰতে সৰ্বমুঠ ১৭টা পদক অৰ্জন কৰিছিল।

০০০০০০০০০

আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত  ভাৰত-পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ঐতিহাসিকভাৱে একপক্ষীয় হিচাপে বিবেচিত হোৱা এই খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে পাকিস্তানৰ বিৰুদ্ধে কোনো এখন খেলতেই পৰাজয় বৰণ নকৰা ভাৰতীয় দলটোৱে চিৰপ্ৰতিদ্বন্দ্বী দলটোৰ বিৰুদ্ধে বৰ্তমানলৈ অনুষ্ঠিত ১১ খন খেলতেই সন্তোষজনকভাৱে জয়লাভ কৰিছে। শেহতীয়াকৈ ২০২২ বৰ্ষৰ বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে ভাৰতে ১০৭ ৰানত জয়লাভ কৰে।

আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে ১২৯ ৰানতেই ইনিংছ সামৰিবলগীয়া হোৱা পাকিস্তানৰ দলটো সম্প্ৰতি সংকটৰ সন্মুখীন হৈ থকা বুলিও বিশেষজ্ঞ মহলে মত প্ৰকাশ কৰে। ইয়াৰ বিপৰীতে শ্ৰীলংকাৰ বিৰুদ্ধে জয়েৰে খেল আৰম্ভ কৰা ভাৰতীয় দলটো আত্মবিশ্বাসী হৈ আছে। কলম্বোত হৈ থকা বৰষুণে খেলখনত অৱশ্যে কালিৰ নিচিনাকৈ বিঘিনি ঘটোৱাৰো সম্ভাৱনা প্ৰকাশ পাইছে।

০০০০০০০০০

**সমাপ্ত**